দেশ

মিঠাই কাৰখানাত ভয়ংকৰ অগ্নিকাণ্ড: ৩জনৰ মৃত্যু, ৩৬জন সন্ধানহীন

ইণ্ডোনেছিয়াৰ বাণ্টেন প্ৰদেশৰ এখন মিঠাই কাৰখানাত সংঘটিত ভয়ংকৰ অগ্নিকাণ্ডত কমেও তিনিজন লোক নিহত হোৱাৰ লগতে ৩৬জন শ্ৰমিক নিখোঁজ হৈ আছে।

প্ৰকাশ: ২২ নৱেম্বৰ ২০২৬, পুৱা ১১:৪৬



factory fire, Three dead, 36 missing

২২ নৱেম্বৰ, ২০২৬

ইণ্ডোনেছিয়াৰ বাণ্টেন প্ৰদেশৰ এখন মিঠাই কাৰখানাত সংঘটিত ভয়ংকৰ অগ্নিকাণ্ডত কমেও তিনিজন লোকৰ মৃত্যু। ঘটনাটোত আন ৩৬জন শ্ৰমিক সন্ধানহীন হৈ থকাৰ বিপৰীতে উদ্ধাৰকাৰীয়ে ১৫জন লোকক জীৱন্তে উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে।

ৰাজধানী জাকার্টাৰ পৰা প্ৰায় ৫০ কিলোমিটাৰ পশ্চিমে অৱস্থিত চেৰাং জিলাৰ চিকাণ্ডে অঞ্চলৰ পিটি ফনুছা আগুং মুলিয়া নামৰ কাৰখানাটোত শনিবাৰে বিয়লি প্ৰায় ৫ বজাত এই জুই লাগে। কাৰখানাটোত জনপ্ৰিয় ‘মিল্কিটা’ ব্ৰেণ্ডৰ গাখীৰৰ মিঠাইকে ধৰি বিভিন্ন লজেন্স প্ৰস্তুত কৰা হৈছিল। তিনিমহলীয়া কাৰখানাটোত লগা জুইৰ ফলত অট্টালিকাটোৰ বিস্তৰ ক্ষতিসাধন হয় আৰু ছাদৰ একাংশ খহি পৰে।

বাণ্টেনৰ অনুসন্ধান আৰু উদ্ধাৰ সংস্থাৰ তথ্য অনুসৰি, ঘটনাস্থলীৰ পৰা তিনিজন লোকৰ মৃতদেহ উদ্ধাৰ কৰা

হৈছে। জীৱন্তে উদ্ধাৰ হোৱা ১৫জনৰ ভিতৰত চাৰিজন আহত হোৱাত তেওঁলোকক চিকিৎসালয়ত ভর্তি কৰোৱা হৈছে। নিখোঁজ হৈ থকা ৩৬জন শ্ৰমিকৰ সন্ধানত উদ্ধাৰ অভিযান তীব্ৰতৰ কৰি তোলা হৈছে।

অগ্নিকাণ্ডৰ প্ৰকৃত কাৰণ এতিয়াও নিশ্চিত হোৱা নাই যদিও জীৱন্তে ৰক্ষা পোৱা একাংশ শ্ৰমিকে জনোৱা মতে, অট্টালিকাটোৰ তৃতীয় মহলাত থকা এটা কুলিং ইউনিটৰ ওচৰৰ পৰাই প্ৰথমে জুইৰ সূত্ৰপাত ঘটিছিল। সমগ্ৰ ঘটনা সন্দৰ্ভত কৰ্তৃপক্ষই তদন্ত চলাই আছে।

দেওবাৰেও কাৰখানাটোৰ ভিতৰত উদ্ধাৰ অভিযান অব্যাহত থাকে। ক্ষতিগ্ৰস্ত অংশসমূহত এতিয়াও ধোঁৱা ওলাই থকাৰ বাবে অগ্নিনির্বাপক বাহিনীয়ে শীতলীকৰণ প্ৰক্ৰিয়া চলাই আছে আৰু ভিতৰত কোনো লোক আবদ্ধ হৈ আছে নেকি তাৰ সন্ধান অব্যাহত ৰাখিছে।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/5198/indonesia-candy-factory-fire-three-dead